পাঠ :১০

# পোহৰৰ বাটেৰে আগবঢ়া গাঁওখন – জ্যোতিপ্ৰসাদ বুঢ়াগোহাঞি

---

## ভাৱ বিষয়ক :

প্ৰশ্ন ১। চমুকৈ উত্তৰ লিখা :

( ক ) ৰাজপুত বীৰ ৰাণা প্ৰতাপৰ জন্ম কত হৈছিল ?

উত্তৰঃ ৰাজপুত বীৰ ৰাণা প্ৰতাপৰ জন্ম হৈছিল ৰাজস্থানৰ উদয়পুৰত ।

( খ ) পিপলান্ত্ৰি গাঁওখন ক'ত অৱস্থিত ?

উত্তৰঃ ৰাজস্থানৰ ৰাজধানী জয়পুৰৰ পৰা ৩৫০ কিলোমিটাৰ আঁতৰত অৱস্থিত ।

( গ ) কিহৰ বাবে পিপলান্ত্ৰি গাঁওখনে 'গ্ৰীনিজ ৱৰ্ল্ড ৰেকৰ্ডছ'ত স্থান পাইছিল ?

উত্তৰঃ মাৰ্বল পাথৰৰ বাবে পিপলান্ত্ৰি গাঁওখনে 'গ্ৰীনিজ ৱৰ্ল্ড ৰেকৰ্ডছ'ত স্থান পাইছিল ।

( ঘ ) পৃথিবীৰ কোনখন দেশৰ পাঠ্যক্ৰমত পিপলান্ত্ৰি গাঁৱৰ সফলতাৰ কাহিনী অন্তৰ্ভুক্ত হৈছে ?

উত্তৰঃ পৃথিবীৰ ডেনমাৰ্ক দেশৰ পাঠ্যক্ৰমত পিপলান্ত্ৰি গাঁৱৰ সফলতাৰ কাহিনী অন্তৰ্ভুক্ত হৈছে ।

( ঙ ) 'Tree Sisters' নামৰ চিনেমাখন কোনে নিৰ্মাণ কৰিছিল ?

উত্তৰঃ 'Tree Sisters' নামৰ চিনেমাখন আৰ্জেন্টিনাৰ এটা দলে নিৰ্মাণ কৰিছিল ।

( চ ) কিৰণ কোন আছিল ?

উত্তৰঃ  কিৰণ পিপলান্ত্রি গাঁৱৰ মুখিয়াল শ্যাম সুন্দৰ পালিয়ালৰ কন্যা আছিল ।

( ছ ) ৰাখী বন্ধনৰ দিনা পিপলান্ত্রি গাঁৱৰ মানুহে কি কৰে ?

উত্তৰঃ ৰাখী বন্ধনৰ দিনা পিপলান্ত্রি গাঁৱৰ মানুহে  গছত ৰছী বান্ধে ।

( জ ) ' কিৰণ যোজনা'ৰ আঁৰৰ মানুহজন কোন ?

উত্তৰঃ  ' কিৰণ যোজনা'ৰ আঁৰৰ মানুহজন হ'ল- শ্যাম সুন্দৰ পালিৱাল ।

( ঝ ) কোনো এজন মানুহৰ মৃত্যুত পিপলান্ত্রি গাঁৱৰ মানুহে কি কৰে ?

উত্তৰঃ কোনো এজন মানুহৰ মৃত্যুত পিপলান্ত্রি গাঁৱৰ মানুহে মৃতকৰ স্মৃতিত ১১ জোপা গছপুলি ৰোপণ কৰে ।

প্ৰশ্ন ২। পিপলান্ত্রি গাঁৱৰ পৰিবেশ কিয় দূষিত হৈছিল ?

উত্তৰঃ পিপলান্ত্রি গাঁৱত ডাঙৰ ডাঙৰ ব্যৱসায়ীসকলে বৃহৎ বৃহৎ মাৰ্বল পাথৰৰ খনি আৰম্ভ কৰাৰ ফলত প্ৰকৃতিও ধ্বংস হ'বলৈ ধৰে । মাৰ্বল পাথৰ আহৰণৰ বাবে খনিবোৰত দিনে - নিশাই কাম চলাৰ ফলত পিপলান্ত্রি গাঁৱৰ পৰিবেশ দূষিত হয় । গছ - গছনি কমি অহাত বৰষুণৰ পৰিমাণে কমি আহিল ; ফলত অধিক মাত্ৰাত পৰিবেশ দূষিত হৈ পৰিল ।

প্ৰশ্ন ৩। শ্যাম সুন্দৰ পালিৱাল কোন ? পিপলান্ত্রি গাঁওখন পৃথিৱী বিখ্যাত হোৱাত তেওঁৰ অৱদান সম্পৰ্কে চমুকৈ লিখা ।

উত্তৰঃ শ্যাম সুন্দৰ পালিৱাল আছিল ৰাজস্থানৰ পিপলান্ত্রি গাঁৱৰ এজন আদৰ্শ ব্যক্তি । মাত্ৰ ছয় বছৰ বয়সতে মাতৃক হেৰুওৱা শ্যাম সুন্দৰ পালিৱালে এটা সময়ত জীৱন - সংগ্ৰামৰ কাৰণে নিজ গাঁও এৰি গৈছিল যদিও পিছত বৃহৎ মাৰ্বল খনিয়ে বিধ্বস্ত কৰা গাঁওখনলৈ ঘূৰি আহি গাঁও আৰু গাঁওবাসীক উদ্ধাৰ কৰিবলৈ মনে প্ৰাণে নামি পৰে ।

২০০৫ চনত তেওঁ গাঁওখনৰ মুখিয়াল হ'ল আৰু আকস্মিকভাৱে মৃত্যু হোৱা তেওঁৰ কন্যা কিৰণৰ স্মৃতিত এটা গছ পুলি ৰুলে । সেইদিনাই তেওঁ এটা নিয়ম কৰি দিলে যে গাঁওখনত জন্ম হোৱা প্ৰতিজনী কন্যা সন্তানৰ নামত ৰাইজে ১১১ টা গছপুলি ৰোপণ কৰিব লাগিব , আৰু এই কাম ' 'কিৰণ নিধি যোজনাৰ অধীনত আৰম্ভ হয় । ২০০৫-২০১০ চনলৈ গাঁৱত মুখিয়াল হিচাপে কাৰ্যনিৰ্বাহ কৰা শ্যাম সুন্দৰ পালিৱালে গ্ৰহণ কৰা এই নীতিয়ে গাঁওখনলৈ নতুন জীৱন আনি দিলে । পানীৰ গভীৰতা শুকাই গৈ ইতিমধ্যে ৮০০ ফুট তললৈ নামি গৈছিল যদিও তেওঁ পানী সংৰক্ষণৰ ব্যৱস্থা কৰি দিয়াত গাঁওবাসী পানীৰ অভাৱৰ পৰা মুক্ত হ'ল । তেওঁ গাঁওবাসীক চাৰিটা দায়িত্ব কঠোৰভাৱে পালন কৰিবলৈ বাধ্য কৰাইছিল । —এই চাৰিটা হ'ল— কন্যা সন্তানক ল'ৰা সন্তানৰ দৰেই ভালকৈ ডাঙৰ দীঘল কৰা , পানী সংৰক্ষণ

কৰা , গছ - গছনি ৰুই প্ৰতিপালন কৰা আৰু খেতিবাতি কৰি নিজৰ প্ৰয়োজন পূৰণ কৰা । গাঁৱত ৰাইজে এই চাৰিটা দায়িত্ব পালন কৰিবলৈ আৰম্ভ কৰাৰ ফলত গাঁৱৰ চেহেৰাই সলনি হ'বলৈ ধৰিলে।সংৰক্ষিত পানী আৰু গছ - গছনিয়ে গাঁওখনকেই জীপাল আৰু সাৰুৱা কৰি তুলিলে ।

শ্যাম সুন্দৰ পালিৱালে কন্যা সন্তানৰ প্ৰতি গাঁওখনৰ মনোভাৱ সলনি কৰি পেলালে । তেওঁৰ আহ্বানত ছোৱালী সন্তান জন্ম হোৱাৰ লগে লগে এক উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয় । তেওঁ নিয়ম কৰি দিছিল । গাঁৱৰ কোনো লোকে কন্যা ভ্ৰূণ হত্যা কৰিব নোৱাৰিব , ছোৱালীক যেনেদৰে মৰমেৰে তুলি - তালি ডাঙৰ - দীঘল কৰা হয় —১১১ টা গছ পুলি তেনেদৰে তুলি - তালি ডাঙৰ - দীঘল কৰিব লাগিব । কোনো ছোৱালীকে শিক্ষাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব , বাল্যবিবাহ দিব নোৱাৰিব । ছোৱালী জন্মৰ লগে লগে ছোৱালীজনীৰ নামত ৰাইজে ২১ হাজাৰ আৰু ছোৱালীৰ মাক - দেউতাকে ১০ হাজাৰ মুঠ ৩১ হাজাৰ টকা বেংকত ফিক্স জমা থব লাগিব । সেই টকা সেই ছোৱালীজনীৰ পঢ়া আৰু বিয়াৰ ক্ষেত্ৰতহে উলিয়াই খৰচ কৰিব পাৰিব । প্ৰতিঘৰ মানুহৰ অনাময় শৌচালয় ব্যৱস্থা কৰা হ'ল । পিপলান্ত্ৰি গাঁওখন কম দিনৰ ভিতৰতে পৰ্যটনৰ থলী হৈ পৰিল । গাঁওখন চাবলৈ প্ৰতিবছৰে বিভিন্ন প্ৰান্তৰ মানুহ আৰু চৰকাৰী প্ৰতিনিধি আহে । ইতিমধ্যে ডেনমাৰ্কৰ প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমত এই গাঁওখনৰ সফলতা আৰু কাম - কাজৰ বিষয়ে পাঠ অন্তৰ্ভুক্ত কৰা হৈছে । আৰ্জেন্টিনাৰ এটা দলে এই গাঁওখনক লৈ Tree Sister নামৰ এখনি চিনেমা নিৰ্মাণ কৰিছে ।

এনেদৰে পিপলান্ত্ৰি গাঁওখন পৃথিৱী বিখ্যাত হোৱাত শ্যাম সুন্দৰ পালিৱালে অৱদান । আগবঢ়াইছিল ।

প্ৰশ্ন ৪। ' কিৰণ নিধি যোজনা ' কি ? এই যোজনাৰ অধীনত পিপলান্ত্ৰি গাঁৱত মানুহে কি কি বিশেষ চাৰিটা দায়িত্ব পালন কৰিব লাগে ?

উত্তৰঃ ‘ কিৰণ নিধি যোজনা'ৰ আঁৰৰ মানুহজন হ'ল শ্যাম সুন্দৰ পালিৱাল । শ্যাম সুন্দৰ পালিৱালে তেওঁৰ মৃত কন্যাৰ কিৰণৰ স্মৃতিত এই ‘ কিৰণ নিধি যোজনা'ৰ সূচনা । কৰে । গাঁওখনত তেওঁ এই যোজনাৰ অধীনত এটা নিয়ম প্ৰৱৰ্তন কৰিছিল যে পিপলান্ত্ৰি - গাঁওখনত জন্ম হোৱা প্ৰতিজনী কন্যা সন্তানৰ নামত ৰাইজে ১১১ টা গছ পুলি ৰোপণ কৰিব লাগিব । ' কিৰণ নিধি যোজনা'ৰ অধীনত পিপলান্ত্ৰি গাঁৱত মানুহে এই চাৰিটা বিশেষ দায়িত্ব পালন কৰিব লাগে ।

১। কন্যা সন্তানক ল'ৰা সন্তানৰ দৰেই ভালকৈ ডাঙৰ - দীঘল কৰা ।

২। পানী সংৰক্ষণ কৰা ।

৩। গছ - গছনি ৰুই প্ৰতিপালন কৰা ।

৪। খেতি - বাতি কৰি নিজৰ প্ৰয়োজন পূৰণ কৰা ।

প্ৰশ্ন ৫। কন্যা সন্তান সুৰক্ষাৰ বাবে শ্যাম সুন্দৰ পালিৱালে কেনেধৰণৰ আঁচনি লৈছিল ?

উত্তৰঃ কন্যা সন্তান সুৰক্ষাৰ বাবে শ্যামসুন্দৰ পালিৱালে আঁচনিৰ জৰিয়তে কেইটামান নিয়ম কৰি দিছিল । সেই কেইটা এনেধৰণৰ

প্ৰথমতে , গাঁৱৰ কোনো লোকে কন্যাভ্ৰূণ হত্যা কৰিব নোৱাৰিব ।

দ্বিতীয়তে , ছোৱালীজনীক যেনে আলফুলে ডাঙৰ - দীঘল কৰা হ'ব সেই একেই মৰম চেনেহ আৰু যত্নেৰে ১১১ টা গছ - পুলিকো প্ৰতিপালন কৰিব লাগিব ।

তৃতীয়তে , কোনো ছোৱালীকে শিক্ষাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব ।

চতুৰ্থতে , কোনো পৰিস্থিতিতে বাল্যবিবাহ সম্পন্ন কৰিব নোৱৰিব । প

ঞ্চমতে , ছোৱালীৰ নামত বেংকত থোৱা ৩১ হাজাৰ টকা ছোৱালীৰ পঢ়া বা বিয়াৰ কামতহে খৰচ কৰিব পাৰিব ।

শেষত , ছোৱালীৰ জন্মৰ সময়ত ৰোৱা গছপুলিবোৰ গাঁৱৰ সম্পত্তি হ'ব । এখন ষ্টাম্প পেপাৰত এই নিয়মৰ চুক্তি স্বাক্ষৰ কৰি গাঁৱত ৰাইজে প্ৰতিশ্ৰুতি দিব  লগীয়া হয় ।

প্ৰশ্ন ৬।পিপলান্ত্ৰি গাঁৱত প্ৰকৃতি আৰু মানুহৰ মাজত কেনেদৰে আত্মিক সম্পৰ্ক গঢ় লৈ উঠিছিল , পাঠৰ সহায়ত লিখা ।

উত্তৰঃ 'কিৰণ নিধি যোজনা'ৰ আঁচনি মতে প্ৰতি গৰাকী কন্যা সন্তান জন্ম পোৱাৰ লগে লগে ৰাইজে ১১১ টা গছপুলি ৰুব লাগিছিল আৰু কন্যা সন্তানৰ দৰেই গছ পুলিবোৰ লালন - পালন কৰি ডাঙৰ - দীঘল কৰিব লাগিছিল । পানী সংৰক্ষণ কৰি আৰু গছ - গছনিৰ দ্বাৰা গাঁওখনত প্ৰাকৃতিক পৰিবেশ সুন্দৰ হৈ পৰিছিল । একোজোপা গছ পূৰ্ণাংগ গছ হৈ উঠালৈকে গাঁওখনৰ মানুহে সন্তান পালন কৰাদি পালন কৰিছিল । ৰাখী বন্ধনৰ দিনা গাঁৱত ছোৱালী আৰু মহিলা সকলে গছত ৰছী বান্ধে আৰু এই কাৰ্যৰ দ্বাৰা গছ আৰু মানুহৰ মাজৰ সম্পৰ্ক আৰু অধিক গভীৰ হৈ পৰে , প্ৰকৃতি আৰু মানুহৰ মাজত আত্মিক সম্পৰ্ক গঢ় লৈ উঠে ।

প্ৰশ্ন ৭। পিপলান্ত্ৰি গাঁৱৰ সফলতাৰ কাহিনী কোনে কেনেকৈ প্ৰচাৰ কৰিছে ?

উত্তৰঃ শ্যামসুন্দৰ পালিৱালে নতুন ৰূপ দিয়া  পিপলান্ত্ৰি গাঁৱৰ সফলতাৰ কাহিনী সেই গাঁও চাবলৈ অহা বিভিন্ন প্ৰান্তৰ মানুহ আৰু চৰকাৰী প্ৰতিনিধিৰ দ্বাৰা প্ৰচাৰ হোৱাৰ উপৰিও আৰ্জেন্টিনাৰ এটা দলে এই গাঁওখনক লৈ ‘ Tree Sisters ’ নামৰ এখনি চিনেমা নিৰ্মাণ কৰিছে । বহুতেই এই গাঁৱক লৈ শতাধিক তথ্যচিত্ৰ নিৰ্মাণ কৰিছে । 'পিপলান্ত্ৰি' নামৰ এখন হিন্দী ছবিও নিৰ্মাণ হৈছে । এনেদৰেই পিপলান্ত্ৰি গাঁৱৰ সফলতাৰ কাহিনী প্ৰচাৰ হৈছে । ইয়াৰ

ফলত ডেনমাৰ্কৰ প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমত এই গাঁৱত সফলতা আৰু কাম - কাজৰ বিষয়ে পাঠ অন্তৰ্ভুক্ত কৰা হৈছে আৰু ছাত্ৰ - ছাত্ৰীসকলক ইয়াৰ বিষয়ে অধ্যয়ন কৰি নিজ দেশৰ প্ৰতি দায়িত্ব পালন কৰিবলৈ প্ৰেৰণা দিয়া হৈছে । ৰাজস্থানত চৰকাৰৰ শিক্ষা বিভাগেও সপ্তম আৰু অষ্টম শ্ৰেণীৰ পাঠ্যক্ৰমত এই গাঁৱৰ বিষয়ে পাঠ অন্তৰ্ভুক্ত কৰিছে আৰু ছাত্ৰ - ছাত্ৰীয়ে গাঁওখনৰ বিষয়ে পঢ়ি তেনে কাম কৰাৰ অনুপ্ৰেৰণা লাভ কৰিছে ।

প্ৰশ্ন ৮। পিপলান্ত্ৰি গাঁওখন কিয় আদৰ্শ গাঁও বুলি তুমি ভাবা ? পাঠটোৰ শিক্ষণীয় দিশ কোনবিলাক ?

উত্তৰঃ পিপলান্ত্ৰি গাঁওখন মই আদৰ্শ গাঁও বুলি ভবাৰ কাৰণ আছে । মাৰ্বলখনিৰ দ্বাৰা প্ৰায় বিধ্বস্ত আৰু নিঃস্ব গাঁও এখনি শ্যাম সুন্দৰ পালিৱাল নামৰ লোকজনৰ নেতৃত্ব আৰু সুপৰিকল্পিত নিৰ্দেশত ঠন ধৰি পৃথিৱীৰ মানুহক চমক লগাইছে । গছ ধ্বংস হৈ একেবাৰে উদং হোৱা গাঁওখনি এক নীতি - নিয়মৰ মাজেৰে গছ পুলি ৰুই পুনৰ সেউজ সুন্দৰ কৰি তুলিলে । মানুহখিনিৰ কঠোৰ শ্ৰম আৰু কাৰ্য তৎপৰতাই সকলোকে আকৰ্ষণ কৰিলে । ছোৱালী সন্তান প্ৰতি লোৱা আকৰ্ষণী আৰু আদৰণীয় ব্যৱস্থাই সকলো শ্ৰেণী মানুহকে এক নতুন দিশৰ সন্ধান দিছে । এই গাঁৱত কাম-কাজ,প্ৰাকৃতিক শোভাই পৃথিৱীৰ লোকক আকৰ্ষিত কৰিছে । প্ৰকৃতি প্ৰেম এই গাঁৱৰ মানুহৰ আন এক প্ৰেৰণাৰ উৎস । এই গাঁৱক লৈ চিনেমা , চলচ্চিত্ৰ , তথ্যচিত্ৰ , আদি শতাধিক নিৰ্মাণ হৈছে । বিদেশত আৰু নিজ ৰাজ্যতো এই গাঁৱত সফলতাৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰি ছাত্ৰ - ছাত্ৰীক প্ৰেৰণা দিবলৈ চেষ্টা কৰা হৈছে । এনেবোৰ কাৰণতেই সকলোৰে বাবে , মোৰ বাবে পিপলান্ত্ৰি গাঁও এখন আদৰ্শ গাঁও ।

এই পাঠটোৰ শিক্ষণীয় দিশ হ'ল — পাঠটিৰ জৰিয়তে মানুহৰ মানসিক দৃঢ়তা , সুচিন্তিত পৰিকল্পনা , উদ্যম , আগ্ৰহ আদিৰ দ্বাৰা কেনেকৈ অসম্ভৱ বুলি ভবা কাম এটাও সম্ভৱ কৰি তুলিব পাৰি তাৰ আভাস পোৱা যায় । যৌথ প্ৰচেষ্টাৰে সমাজ তথা নিজৰ নিজৰ অঞ্চলৰ সৰ্বাংগীন বিকাশৰ বাবে আগবাঢ়ি অহাটো উচিত । কন্যা সন্তানৰ প্ৰতি দেখুওৱা অৱহেলাৰ বিপৰীতে ল'ৰা - ছোৱালী সকলো সন্তানেই পিতৃ - মাতৃৰ বাবে সমান হ'ব লাগে । সমাজৰ প্ৰতি আমি সকলোৱে সমানে দায়বদ্ধ । এনেবোৰ শিক্ষণীয় দিশ এই পাঠটিৰ পৰা পোৱা যায় ।

প্ৰশ্ন ৯। বহলাই বুজাই লিখা –

( ক ) বাটা মাহত তেৰটা খেতি ।

( খ ) স্বচ্ছ ভাৰত অভিযান ।

( গ ) সামাজিক মাধ্যম ।

উত্তৰঃ ( ক ) বাটা মাহত তেৰটা খেতি :- পানীৰ অভাৱত আৰু কৰ্ম তৎপৰতাৰ অভাৱত মানুহে বাৰটা মাহত দুই এটা খেতিও কৰিব নোৱাৰে । পানী থাকিলেও কৰ্ম তৎপৰ নহ'লে

অথবা কৰ্মতৎপৰ , কিন্তু খেতিৰ কাৰণে পানীৰ অভাৱ এনে কাৰণতে মানুহবোৰৰ অৱস্থা দুখ লগা হয় । পানী আৰু কৰ্ম তৎপৰতা বাবেই মানুহে উচিত সময়ত উচিত খেতি কৰি লাভবান হব পাৰে  অভাৱহীনভাৱে জীৱন কটাব পাৰে ।

একেবাৰে বিধ্বংস হ'বলৈ ধৰা পিপলান্ত্রি গাঁওখনৰ মানুহবোৰ এগৰাকী সুচিন্তিত আদৰ্শ ব্যক্তি শ্যাম সুন্দৰ পালিৱালৰ নেতৃত্বত অতি কৰ্মঠ হৈ পৰিল । পানী সংৰক্ষণ আৰু গছৰোপণ কৰা ব্যৱস্থাই মাটি সাৰুৱা কৰি তুলিলে । সেই কাৰণেই সেই গাঁৱৰ মানুহে বাৰটা মাহত তেৰটা , অৰ্থাৎ গোটেই বছৰ ধৰি খেতি কৰি লাভবান হৈছে ।

( খ ) স্বচ্ছ ভাৰত অভিযান :- এখন পৰিষ্কাৰ - পৰিচ্ছন্ন ভাৰতৰ কল্পনা কৰি ভাৰত চৰকাৰে ২০১৫ চনত স্বচ্ছ ভাৰত অভিযান'আঁচনি আৰম্ভ কৰে । মুকলি স্থানত কোনোৱে যাতে শৌচ - প্ৰস্ৰাৱ নকৰে , প্ৰতিঘৰ মানুহে নিজাকৈ একোটা শৌচালয় কৰি লব পাৰে , গাঁও , নগৰ - চহৰ ; ঘৰৰ পদূলি , চৌহদ আদি নিজে নিজে তথা ৰাইজে সহযোগিতাৰে পৰিষ্কাৰ - পৰিচ্ছন্ন কৰি ৰাখি পৰিৱেশ সুন্দৰ কৰি ৰাখে , সেয়াই হৈছে ' স্বচ্ছ ভাৰত অভিযান'ৰ মূল উদ্দেশ্য আৰু কাম । এই ক্ষেত্ৰত উৎকৃষ্টতা দেখুওৱা গাঁও , চহৰ , জিলা , ৰাজ্য আদিক বিশেষভাৱে সাহায্য আৰু পুৰষ্কৃত কৰাৰ ব্যৱস্থা আছে আৰু বিগত সময়ছোৱাত ভালেমান গাঁও আৰু চহৰ , জিলা পুৰস্কৃত হৈছেও । ভাৰত চৰকাৰৰ এই অভিযানে এতিয়ালৈকে যথেষ্ট সফলতা লাভ কৰিছে । ইয়াত সাধাৰণ জনগণৰ পৰা আৰম্ভ কৰি চৰকাৰী - বেচৰকাৰী একেবাৰে উচ্চ পদস্থ বিষয়া কৰ্মচাৰী মন্ত্ৰী এম.এল.এ. সাংসদ আদিয়ে ইয়াত হাতে - কামে সহযোগ কৰিছে ।

( গ ) সামাজিক মাধ্যম :- ফেচবুক্ টুইটাৰ আদি হৈছে সামাজিক মাধ্যম । এই মাধ্যমৰ জৰিয়তে যিকোনো কথা বা কাৰ্য আদি দেশ- বিদেশ, জনগণৰ মাজত প্ৰচাৰ কৰিব পৰা যায় । বাতৰি কাকত , সংবাদ মাধ্যম , ৰেডিঅ ' , টি . ভি . আদিৰ দৰে প্ৰচাৰত সামাজিক মাধ্যমেও কম কৰে ।

## ভাষা বিষয়ক :

### প্ৰশ্ন ১০। বাক্য ৰচনা কৰা :

হাতে – কামে , নিয়ম - শৃংখলা , দিনে - নিশাই , খেতি - বাতি , আনন্দ - উল্লাস , ডাঙৰ - দীঘল , সুখ - সমৃদ্ধি ।

উত্তৰঃ হাতে–কামে :- মুখেৰে কৈ থাকিলে নহয় , হাতে - কামে কৰি দেখুৱাব লাগে ।

নিয়ম - শৃংখলা :- সকলো ক্ষেত্ৰতে নিয়ম - শৃংখলা মানি কাম কৰিব লাগে ।

দিনে - নিশাই :- অকণো জিৰণি নোহোৱাকৈ দিনে - নিশাই কাম কৰি থাকিলে দেহা ৰুগীয়া হয় ।

খেতি–বাতি :- খেতিয়কে খেতি - বাতিত মনপুতি লাগিলেহে খেতি ভাল কৰিব পাৰে।

আনন্দ - উল্লাস :- ‘স্বচ্ছ ভাৰত অভিযান ’ অনুসৰি কাম কৰাত গাঁওখনে পুৰস্কাৰ লাভ কৰাত সকলোৰে মনত আনন্দ - উল্লাসে ভৰি পৰিছে ।

ডাঙৰ - দীঘল :- ল’ৰা সন্তানৰ দৰেই কন্যা সন্তানকো লালন - পালন কৰি ডাঙৰ - দীঘল কৰিব লাগে ।

সুখ - সমৃদ্ধি :- কঠোৰ পৰিশ্ৰম কৰাৰ ফলত ঘৰখনলৈ পুনৰ সুখ - সমৃদ্ধি আহি পৰিছে ।

প্ৰশ্ন ১১। কিয় মূৰ্ধণ্য ‘ ণ ’ হৈছে লিখা

বৰষুণ , পৰিমাণ , ৰূপায়ণ ।

উত্তৰঃ বৰষুণ – মূৰ্ধণ্য 'ষ’ ৰ পিছৰ ন মূৰ্ধণ্য ণ হয় কাৰণে ।

পৰিমাণ – 'প' বৰ্গৰ আখৰ মাজত থাকিলে 'ৰ'ৰ পিছত ন মূৰ্ধণ্য 'ণ' হয় কাৰণে ।

ৰূপায়ণ – ‘য়’ ৰ পিছৰ ' ন ’ মূৰ্ধণ্য ‘ ণ ’ হয় কাৰণে ।

প্ৰশ্ন ১২। তলৰ শব্দবোৰৰ প্ৰতিটোৰ একোটাকৈ সমাৰ্থক শব্দ লিখা ।

মুক্ত , বায়ু , বৃহৎ , পানী , গছ , চকু , গাঁও ।

উত্তৰঃ মুক্ত – মুকলি ।

বায়ু – বতাহ ।

বৃহৎ – ডাঙৰ ।

পানী – জল ।

গছ – বৃক্ষ ।

চকু – চক্ষু,আখ ।

গাঁও – গ্ৰাম ।

প্ৰশ্ন ১৩। তলৰ উপসৰ্গ কেইটিৰে একোটিকৈ শব্দ গঠন কৰা ।

প্ৰতি , অধি , উপ , অৱ , দুৰ ।

উত্তৰঃ প্ৰতি – প্ৰতিকাৰ ।

অধি – অধিকাৰ ।

উপ – উপকাৰ ।

অৱ – অৱতৰণ ।

দুৰ – দুৰ্নীতি ।

শব্দাৰ্থ আৰু টোকা :

উত্তৰঃ অক্লান্ত – ভাগৰ নলগাকৈ থকা ; ক্লান্ত নোহোৱা ।

অনায়াসে – হেলাৰংগে ; আৰাম অৰ্থাৎ পৰিশ্ৰম নকৰাকৈ ; যত্ন নকৰাকৈ ; সহজে ।

আহি – নমুনা ; চানেকী ; যাক চাই আন বস্তু বা কাৰ্য কৰা হয় ।

আলফুল – আলসুৱা ; অতি কোমল ; ঢিলা ।

উৰ্বৰা – সাৰুৱা সাৰ থকা ; শস্য বেছিকৈ হোৱা মাটি ।

কোঙা – বাঢ়িবা বা লৰচৰ কৰিব নোৱাৰা ; উদগতি কৰিব নোৱাৰা ।

জলাশয় – নৈ , বিল , পুখুৰী , হ্ৰদ আদি পানী থকা ঠাই ; জলাধাৰ ।

তথ্যচিত্ৰ – ৰেডিঅ ’ টেলিভিছন আদিত প্ৰচাৰৰ কাৰণে যি কোনো বিষয়ৰ বিস্তৃত বৰ্ণনা থকা আলেখ্য ।

প্ৰতিশ্ৰুতি – প্ৰতিজ্ঞা ; অংগীকাৰ ।

ভূ-গৰ্ভ – পৃথিবীৰ ভিতৰভাগ ।

ভ্ৰূণ – গৰ্ভত থকা সন্তান ।

মচ্ – কোনো বস্তু মোহাৰি গুচা ।

ৰক্ষণা-বেক্ষণ – ভালকৈ ৰক্ষা কৰা কাৰ্য ।

সাৰোগত কৰা – অতি মূল্যবান ৰূপে গ্ৰাহ্য কৰা ।

হ্ৰাস – কমি যোৱা ।

ৰোপণ – ৰোৱা কাৰ্য ।

স্বচ্ছ – পৰিষ্কাৰ ; ফটফটীয়া ।

অভিযান – নিৰ্দিষ্ট কামৰ বাবে আগবঢ়া ।